# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 30-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে, ভাৰতৰ ফিনটেক খণ্ডই বিশ্বজুৰি মানুহৰ জীৱন সহজ কৰি তুলিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্টৰ পালঘৰ জিলাত আজি ৱাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি পতাকা জোকাৰি ৩ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

৪। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, দেশৰ মহিলাসকলৰ অংশগ্ৰহণ অবিহনে ভাৰত কেতিয়াও এখন উন্নত ৰাষ্ট্ৰ হ'ব নোৱাৰে।

*আৰু*

৫। পেৰিছ পেৰালিম্পিকৰ আজি দ্বিতীয় দিনা ভাৰতে এটা সোণ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে, ভাৰতৰ ফিনটেক খণ্ডই বিশ্বজুৰি মানুহৰ জীৱন সহজ কৰি তুলিছে। মুম্বাইত অনুষ্ঠিত হোৱা বিশেষ গ্ল'বেল ফিনটেক ফেষ্ট ২০২৪ ত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ভাৰতত ফিনটেক গ্ৰহণৰ গতি আৰু পৰিসৰৰ তুলনা কৰিব নোৱাৰি। বিশ্বৰ ডিজিটেল আদান প্ৰদানৰ প্ৰায় ৫০ শতাংশ ভাৰততে হয়। প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে যে, বিত্তীয় সেৱাৰ গণতান্ত্ৰিকৰণত ফিনটেকৰ ভূমিকা উল্লেখযোগ্য। তেওঁ কয় যে, ডিজিটেল লেনদেনে সমান্তৰাল অৰ্থনীতিৰ বিপদ হ্ৰাস কৰিছে আৰু বেংকিং ব্যৱস্থাত স্বচ্ছতা বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰীয়ে সজোৰে কয় যে, ভাৰতত ফিনটেকে কঢ়িয়াই অনা অকল প্ৰযুক্তিৰ মাজতে সীমাবদ্ধ নাথাকি ই সমাজ ব্যৱস্থাত সুদূৰপ্ৰসাৰি প্ৰভাৱ পেলাইছে। ভাৰতৰ ফিনটেক উদ্ভাৱনৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে, বিগত দশকত ভাৰতীয় উদ্যোগ জগতত ৫০০ শতাংশ ষ্টাৰ্টআপ বৃদ্ধিৰ লগতে অভিলেখ সৃষ্টি কৰি ৩১ বিলিয়ন ডলাৰতকৈ অধিক বিনিয়োগ হৈছে। অনুষ্ঠানত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে মতামত আগবঢ়াই যে, ভাৰত এতিয়া এনে এটা ৰূপান্তৰৰ পথত উপস্থিত হৈছে য'ত প্ৰযুক্তিয়ে হ'ব প্ৰতিজন নাগৰিকৰ আশা আকাংক্ষা পূৰণৰ ইঞ্জিন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিনটেক লেণ্ডস্কেপৰ শেহতীয়া উদ্ভাৱনসমূহৰ লগতে জি এফ এফ প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। ভাৰতীয় পেমেণ্টছ্ কাউন্সিল, ভাৰতীয় নেচনেল পেমেণ্টছ্ কৰ্তৃপক্ষ আৰু ফিনটেক কনভাৰজেন্স কাউন্সিলৰ যৌথ উদ্যোগত গ্ল'বেল ফিনটেক ফেষ্ট ২০২৪ অনুষ্ঠিত কৰা হয়। ভাৰত আৰু অন্যান্য দেশৰ নীতি নিৰ্ধাৰক, নিয়ন্ত্ৰক, জ্যেষ্ঠ বেংকাৰ, উদ্যোগপতি আৰু শিক্ষাবিদকে ধৰি প্ৰায় ৮০০ জন বক্তাই এই

সন্মিলনত ৩৫০ টাতকৈও অধিক ভাষণ প্ৰদান কৰিব। উল্লেখযোগ্য যে, ফিনটেকে প্ৰযুক্তিগত উন্নতিৰ জৰিয়তে বিত্তীয় সেৱাসমূহ আৰু অধিক কাৰ্যক্ষম আৰু সুলভ কৰি তোলাৰ লক্ষ্য লৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্টৰ পালঘৰ জিলাত আজি ৱাধৱন  বন্দৰৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভালেমান মীন প্ৰকল্পৰ শুভাৰম্ভ কৰে আৰু মাছমৰীয়াসকলক কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান আৰু দিশ নিৰ্ণয় কৰা সজুলী প্ৰদান কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে কয় যে, বিগত দশকত উল্লেখযোগ্য ভাৱে দেশৰ বন্দৰৰ বিকাশ হৈছে। তেওঁ লগতে কয় যে চৰকাৰে বন্দৰসমূহৰ আধুনিকীকৰণ, জলপথসমূহৰ বিকাশ সাধন আৰু এইক্ষেত্ৰত কোটি কোটি টকা বিনিয়োগ কৰিছে। তেওঁ লগতে কয় যে, দেশত ব্যক্তিগত খণ্ডটো ভালেমান বিনিয়োগ হৈছে, ইয়াৰ ফলত যুৱচামৰ অধিক সুবিধা লাভ কৰাৰ লগতে বিভিন্ন লাভ অৰ্জন কৰিছে। শ্ৰীমোদীয়ে কয় যে, আজি সমগ্ৰ বিশ্বই ৱাধৱন বন্দৰলৈ দৃষ্টি নিক্ষেপ কৰিছে। ইয়াৰ ফলত সমগ্ৰ অঞ্চলটোত অৰ্থনৈতিক বিকাশ সাধন হ'ব। তেওঁ কয় যে, দেশৰ বিকাশৰ দিশত এইটো এটা ঐতিহাসিক দিন হ'ব আৰু দেশৰ বিকাশ সাধনত বিকশিত মহাৰাষ্ট্ৰই এটা গুৰুত্বপূৰ্ণ ভূমিকা  পালন কৰিব। ৭৬ হাজাৰ কোটি টকাৰে এই প্ৰকল্প সম্পূৰ্ণ কৰা হ্ব। বিশ্বমানদণ্ডৰ এটা বন্দৰ স্থাপন কৰাৰ লক্ষ্যৰে ইয়াৰ বিকাশ সাধন কৰা হ'ব। ইয়াৰ ফলত দেশৰ বাণিজ্য আৰু অৰ্থনৈতিক বিকাশ সাধন হ'ব। মহাৰাষ্ট্ৰৰ পালঘৰ জিলাৰ দাহানো চহৰৰ সমীপৰ ভাৰতৰ বৃহৎ গভীৰ পানীৰ এই বন্দৰটোত বৃহৎ আকাৰৰ জাহাজ, আধুনিক মালবাহী জাহাজ থাকিব পাৰিব আৰু তাৰ জৰিয়তে আন্তৰ্জাতিক যাতায়ত ব্যৱস্থা অধিক সূচল হোৱাৰ লগতে যাতায়তৰ সময় আৰু ব্যয় হ্ৰাস হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে এহেজাৰ ৫৬০ কোটি টকাৰ ২১৮ টা মীন প্ৰকল্প শুভাৰম্ভ কৰে। তেওঁ লগতে ৩৬৪ কোটি টকা ব্যয়সাপেক্ষ এটা ৰাষ্ট্ৰীয় জাহাজৰ যোগাযোগ ব্যৱস্থাৰ মুকলি কৰে।

০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া ড০ টি ভি সোমনাথনে আজি মন্ত্ৰীসভাৰ নতুন সচিব হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ড০ সোমনাথন ৰাজীৱ গৌবাৰ স্থলাভিষিক্ত হৈছে। ১৯৮৭ চনৰ তামিলনাডু কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া সোমনাথনে প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ যুটীয়া সচিব আৰু অতিৰিক্ত সচিবৰ দায়িত্বৰ লগতে কেন্দ্ৰৰ অন্যান্য গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছে। মন্ত্ৰীসভাৰ সচিব হিচাপে দায়িত্ব গ্ৰহণৰ পূৰ্বে তেওঁ বিত্ত সচিব আৰু ব্যয় দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি পতাকা জোকাৰি ৩ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। মেক ইন ইণ্ডিয়া আৰু আত্মনিৰ্ভৰ ভাৰতক প্ৰতিফলিত কৰি সম্পূৰ্ণ দেশত নিৰ্মিত বন্দে ভাৰত ৰেলগাড়ীকেইখন মিৰাট-লক্ষ্ণৌ, মাদুৰাই-বেংগালুৰু আৰু চেন্নাই-নাগৰকইলৰ মাজত চলাচল কৰিব। উত্তৰ প্ৰদেশ, তামিলনাডু আৰু কৰ্ণাটকত চলাচল কৰিবলগা এই বন্দে ভাৰত তীব্ৰ বেগৰ ৰেলগাড়ীকেইখনে জনসাধাৰণক বিশ্বমানৰ ভ্ৰমণৰ সুবিধা প্ৰদান কৰিব।   বন্দে ভাৰত ৰেলগাড়ীকেইখনৰ চলাচলে নিয়মীয়া যাত্ৰী, ব্যৱসায়ী, বৃত্তিধাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক এটা নতুন মানদণ্ডসম্পন্ন ৰেলসেৱা প্ৰদান কৰিব।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, দেশৰ মহিলাসকলৰ অংশগ্ৰহণ অবিহনে ভাৰত কেতিয়াও এখন উন্নত ৰাষ্ট্ৰ হব নোৱাৰে। নতুন দিল্লীত আজি দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতী মহাবিদ্যালয়ত বিকশিত ভাৰতত মহিলাসকলৰ ভূমিকা সন্দৰ্ভত এটা আলোচনাত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। শ্ৰীধনখড়ে কয় যে, বিকশিত ভাৰতৰ লক্ষ্য সাধনৰ ক্ষেত্ৰত মহিলাসকলৰ গুৰুত্ব অপৰিসীম। তেওঁ কয় যে, শক্তি আৰু প্ৰতিভা থকা নাৰীসকলে অৰ্থনৈতিক পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লব পাৰে। উপৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহিলা সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কলকাতাৰ ধৰ্ষণ কাণ্ডৰ সন্দৰ্ভত দুখ প্ৰকাশ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, য'ত নাৰীসকলে সুৰক্ষা অনুভৱ নকৰে তেনে সমাজ কেতিয়াও এখন সভ্য সমাজ হ'ব নোৱাৰে। তেওঁ এনেধৰণৰ ঘটনাৰ ক্ষেত্ৰত শূন্য সহনশীলতা অৱলম্বন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উমৈহতীয়া দেৱানী বিধিক সংবিধানপ্ৰদত্ত বুলি উল্লেখ কৰি কয় যে ই হৈছে সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ অংশ। তেওঁ কয় যে, ই বিভিন্ন ধৰণেৰে সহায় কৰিব কিন্তু ব্যাপক পৰিমাণত মহিলাসকলক ন্যায় প্ৰদান কৰিব। তেঁও কয় যে, ভাৰত সৱল অৰ্থনৈতিক দিশত পৰিপক্ক হোৱাৰ দিশত তীব্ৰ গতিত আগবাঢ়িছে। তেওঁ লগতে কয় যে, ভাৰতৰ মজবুত ঔদ্যোগিক অৰ্থব্যৱস্থাৰ দিশত তীব্ৰ গতিত আগুৱাই গৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ পুৱা নতুন দিল্লীৰ ভাৰত মণ্ডপমত জিলা ন্যায়পালিকাসকলৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ উচ্চতম নায়ালয়ৰ প্ৰতিষ্ঠাৰ ৭৫ বছৰ হোৱা উপলক্ষে এটা ষ্টাম্প আৰু স্মাৰক মুদ্ৰা উন্মোচন কৰিব। উচ্চতম ন্যায়ালয়ে আয়োজন কৰা এই দুদিনীয়া সন্মিলনত ৫ টা বিষয় আন্তঃগাঠনি, সকলো সুবিধাযুক্ত আদালত কক্ষ, ন্যায়িক সুৰক্ষা, গোচৰ ব্যৱস্থাপনা আৰু প্ৰশিক্ষণ আদিৰ বিষয় সামৰি লোৱা হৈছে। এই সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত মুখ্য ন্যায়াধীশ, কেন্দ্ৰীয় আইন আৰু ন্যায়মন্ত্ৰী আৰু এটৰ্ণি জেনেৰেল আদি উপস্থিত থাকিব।

০০০

পেৰিছ পেৰালিম্পিকৰ আজি দ্বিতীয় দিনা ভাৰতে এটা সোণ আৰু দুটা ব্ৰঞ্জৰ পদকেৰে তিনিটা পদক লাভ কৰি পদক তালিকাত নাম অন্তৰ্ভুক্ত কৰিছে। টকিঅ' পেৰালিম্পিকত সোণৰ পদক লাভ কৰা অৱনি লেখাৰাই পেৰিছতো এছ এইচ ৰান শাখাৰ ১০ মিটাৰ এয়াৰ ৰাইফল প্ৰতিযোগিতাত ২৪৯ দশমিক ৭ পইণ্টেৰে অভিলেখ গঢ়ি পুনৰ সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ বিপৰীতে একেটা শাখাতে মনা আগৰৱালে ২২৮ দশমিক ৭ পইণ্টেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইফালে, ১০০ মিটাৰ স্প্ৰীণ্টৰ মহিলাৰ শাখাত প্ৰীতি পালে ১৪ দশমিক ২ - ১ ছেকেণ্ডৰ সৰ্বোচ্চ ব্যক্তিগত অভিলেখেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

পুৰুষৰ খেলত শ্বুটাৰ মণীষ নাৰৱালে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ২৩৪ দশমিক ৯ পইণ্টেৰে দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। বেডমিণ্টন খেলুৱৈ সুহাষ এথিৰাজে দক্ষিণ কোৰিয়াৰ প্ৰতিপক্ষক হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদক লাভ কৰা খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰি শ্ৰী মোদীয়ে কয় যে পদক লাভ কৰা পেৰা অলিম্পিয়ানসকলৰ নিষ্ঠা আৰু একাগ্ৰতাই ভাৰতবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০

কলকাতাৰ বিবেকানন্দ যুব ভাৰতী ক্ৰীড়াঙ্গনত কাইলৈ সন্ধিয়া নৰ্থ ইষ্ট ইউনাইটেড এফ চি আৰু মোহন বাগানৰ মাজত ১৩৩ সংখ্যক ডুৰাণ্ড কাপৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব। ১৭ বাৰৰ ডুৰাণ্ড কাপ বিজয়ী মোহন বাগানে এইবাৰ ১৮ বাৰৰ বাবে ছেম্পিয়নশ্বিপ দখল কৰাৰ বাবে খেলত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে মোহন বাগানে গ্ৰুপ পৰ্যায়ৰ আটাইকেইখন খেলতে জয়ী হৈছে। আনহাতে, নৰ্থ ইষ্ট ইউনাইটেডে গ্ৰুপ পৰ্যায়ৰ খেলত দুৰ্দান্ত খেল প্ৰদৰ্শন কৰি প্ৰথমবাৰৰ বাবে ফাইনেলত অৱতীৰ্ণ হৈছে।

০০০

ঃঃ সমাপ্ত ঃঃ